**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-03-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
***--------------------***

১। নিবনুৱা সংস্থাপনৰ বাবে কৃষি, উদ্যোগ আৰু দক্ষতা বিকাশত ৰাজ্য চৰকাৰৰ গুৰুত্ব আৰোপ।
২। ২০৩০ চনৰ ভিতৰত ৰাজ্যত চিকিৎসাৰ ক্ষেত্ৰত থকা বিভিন্ন সমস্যাসমূহ সমাধান কৰা হ'ব বুলি স্বাস্থ্যমন্ত্ৰী অশোক সিংহলৰ প্ৰকাশ।
৩। আজি আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস। ৰাজ্যৰ বিভিন্ন প্ৰান্তত এই উপলক্ষে বিভিন্ন কাৰ্যসূচীৰ আয়োজন। আকাশবাণী বাতৰি বিভাগৰ কিছু ব্যতিক্ৰমীভাৱে এই দিৱস উদযাপন।
৪। নিৰ্বাচন আয়োগৰ নকল ভোটদাতা ফটো পৰিচয় পত্ৰ নম্বৰৰ দীৰ্ঘদিনীয়া সমস্যা অহা ৩ মাহৰ ভিতৰত সমাধানৰ সিদ্ধান্ত। *আৰু*
৫। আই চি চি চেম্পিয়নছ ট্ৰফীৰ ফাইনেলত কাইলৈ ভাৰত, নিউজিলেণ্ডৰ মুখামুখি।

০০০০০০

ৰাজ্য চৰকাৰে নিবনুৱাসকলৰ সংস্থাপনৰ বাবে কৃষি, উদ্যোগ আৰু দক্ষতা বিকাশত অধিক গুৰুত্ব আৰোপ কৰিছে। সংসদীয় পৰিক্ৰমা মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে কালি বিধানসভাত এই কথা প্ৰকাশ কৰি কয়, যে মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত শিক্ষিত নিবনুৱাসকললৈ আত্ম সংস্থাপনৰ বাবে আৰ্থিক সাহায্য আগবঢ়োৱা হৈছে। চৰকাৰে দক্ষতা বিকাশৰ বাবে বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে নিৰ্বাচনী প্ৰতিশ্ৰুতি অনুসৰি এক লাখ যুৱক-যুৱতীক নিযুক্তি প্ৰদানৰ লক্ষ্য শীঘ্ৰেই পূৰণ কৰা হ'ব। সীমিত চৰকাৰী চাকৰিৰে নিবনুৱা সমস্যা সমাধান কৰাটো সম্ভৱ নহয় বুলি উল্লেখ কৰি শ্ৰী পাটোৱাৰীয়ে আত্মনিৰ্ভৰশীল হ'বলৈ কৃষি, উদ্যোগ আৰু দক্ষতা বিকাশত গুৰুত্ব আৰোপ কৰিব লাগিব বুলি মন্তব্য কৰে। উল্লেখযোগ্য যে, মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযানৰ জৰিয়তে ৰাজ্যৰ ২৫ হাজাৰৰো অধিক যুৱক-যুৱতী উপকৃত হৈছে।

০০০০০০

২০৩০ চনৰ ভিতৰত ৰাজ্যত চিকিৎসাৰ ক্ষেত্ৰত থকা বিভিন্ন সমস্যাসমূহ সমাধান কৰা হ'ব বুলি স্বাস্থ্যমন্ত্ৰী অশোক সিংহলে প্ৰকাশ কৰিছে। কালি বিধানসভাত স্বাস্থ্য সম্পৰ্কীয় এটা প্ৰশ্নৰ উত্তৰ দি মন্ত্ৰীগৰাকীয়ে কয়, যে বিশেষ কেতবোৰ কাৰণত ৰাজ্যত এতিয়াও চিকিৎসকৰ নিযুক্তি দিব পৰা হোৱা নাই যদিও ২০৩০ চনৰ ভিতৰত চৰকাৰে এই সমস্যা ওৰ পেলোৱাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। বৰ্তমান ৰাজ্যত ১৩ খন চিকিৎসা মহাবিদ্যালয় কাৰ্যক্ষম হৈ আছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে আন ১০ খন নতুন চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণকাৰ্য পূৰ্ণগতিত চলি আছে। এই নতুন চিকিৎসালয়কেইখনৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হৈ উঠিলে ৰাজ্যত চিকিৎসালয়ৰ সংখ্যা ২৩ খনলৈ বৃদ্ধি পোৱাৰ লগতে মুঠ আসনৰ সংখ্যা বৰ্তমানৰ এহেজাৰ ৬০০ৰ পৰা বৃদ্ধি হৈ দুহেজাৰ ৬০০ হ'ব

বুলিও তেওঁ লগতে জানিবলৈ দিয়ে। ৰাজ্যৰ প্ৰতিটো বিধানসভা সমষ্টিতেই একোটাকৈ বুনিয়াদী স্বাস্থ্য কেন্দ্ৰ স্থাপনৰ বাবে স্বাস্থ্য বিভাগে সিদ্ধান্ত গ্ৰহণ কৰিছে আৰু ইয়াৰে ১১৬টা বুনিয়াদী স্বাস্থ্য কেন্দ্ৰ নিৰ্মাণৰ বাবে বিভাগীয় কাম-কাজ ইতিমধ্যে আৰম্ভ হৈছে বুলিও তেওঁ প্ৰকাশ কৰে।

oooooo

আজি আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস। এই দিনটোতে ৰাষ্ট্ৰীয়, জাতিগত, ভাষিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক সীমাৰ পৰিধি নেওচি মহিলাসকলক তেওঁলোকৰ সাফল্যৰ বাবে সন্মান জনোৱা হয়। এই বছৰৰ আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসৰ বিষয়বস্তু হৈছে- সকলো মহিলা আৰু কিশোৰীৰ বাবে ঃ অধিকাৰ, সমতা, সবলীকৰণ। এই বিষয়বস্তুৰ জৰিয়তে প্ৰতিগৰাকী মহিলাৰ বাবে সমঅধিকাৰ, ক্ষমতা আৰু সুযোগ-সুবিধা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণৰ পোষকতা কৰা হৈছে।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত এই দিৱস উপলক্ষে আজি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। মাজুলী জিলা মহিলা সমিতি আৰু আইন সাহায্য কোষৰ উদ্যোগত বনগাঁও আঞ্চলিক মহিলা সমিতিৰ সহযোগত পূব মাজুলীৰ বনগাঁৱত আজি দিনজোৰা কাৰ্যসূচীৰে আন্তৰ্জাতিক নাৰী দিৱস পালন কৰা হৈছে।

বাক্সা জিলাৰ জালাহ্ লক্ষ্মী মন্দিৰ প্ৰাংগণত আজি তৃণয়ন যোগ কেন্দ্ৰৰ উদ্যোগত আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই উপলক্ষে পুৱা ৬ বজাত ৰাষ্ট্ৰীয় বঁটা প্ৰাপক খেলুৱৈ ঊষা নাথৰ পৰিচালনাত যোগাভ্যাস কৰা হয়। ইয়াৰ পাছত এখন আলোচনা সভা আয়োজন কৰা হয়।

oooooo

আকাশবাণী বাতৰি বিভাগে আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস কিছু ব্যতিক্ৰমীভাৱে উদযাপন কৰাৰ দিহা কৰিছে। সেই অনুসৰি কালি মাজনিশাৰে পৰা আজি সমগ্ৰ দিনটোৰ হিন্দী আৰু ইংৰাজী ভাষাৰ বাতৰি মহিলা পৰিবেশকসকলে পৰিবেশন কৰিব। এই সময়ছোৱাত ৪৫ খন মূল বাতৰি বুলেটিনৰ উপৰি প্ৰতি ঘণ্টাৰ বাতৰি মহিলা পৰিবেশকসকলে পৰিবেশন কৰিব আৰু বাতৰি বিভাগৰ সমগ্ৰ কাম-কাজো মহিলাসকলে সম্পন্ন কৰিব। আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উপলক্ষে বাতৰি বিভাগে আজি নিশা ৯ বাজি ১৫ মিনিটৰ পৰা ১০ বজালৈ এটা বিশেষ আলোচনা প্ৰচাৰ কৰিব।

আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত বিশেষ দৃষ্টিপাত প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বিভিন্ন প্ৰত্যাহ্বানৰ মাজেৰে কৰ্মক্ষেত্ৰত সফলতাৰে আগবাঢ়ি যোৱা তিনিগৰাকী নাৰীয়ে তেওঁলোকৰ অভিমত ব্যক্ত কৰিব। অনুষ্ঠানটোৰ আঁত ধৰিব আকাশবাণী বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে। ইয়াৰ উপৰি বাতৰি বিভাগে দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটত আন্তৰ্জাতিক নাৰী দিৱস সম্পৰ্কত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব।

আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰই আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে আজি নাৰী অধিকাৰৰ আৰু সৱলীকৰণ সন্দৰ্ভত এলানি বিশেষ অনুষ্ঠান প্ৰচাৰৰ দিহা কৰিছে। এই উদ্দেশ্যে আজি পুৱা চাৰে সাত বজাৰ পৰা নিশা দহ বজালৈকে প্ৰচাৰ হ'বলগীয়া অনুষ্ঠানসমূহত মহিলা বিষয়ক আলোচনা প্ৰচাৰৰ ব্যৱস্থা কৰা হৈছে।

বিশিষ্ট লেখিকা, সাংবাদিক অনুৰাধা শৰ্মা পূজাৰীয়ে আন্তৰ্জাতিক নাৰী দিৱসৰ শুভেচ্ছা জনাই আমালৈ এটি বাৰ্তা প্ৰেৰণ কৰিছে।

*(বাইট ঃ অনুৰাধা শৰ্মা পূজাৰী)*

আন্তৰ্জাতিক নাৰী দিৱসৰ প্ৰাকক্ষণত কালি আকাশবাণী আৰু দূৰদৰ্শনৰ অতিৰিক্ত সঞ্চালক প্ৰধান আশীষ কুমাৰ ভাটনাগৰৰ উদ্যোগত গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰ চৌহদত নাৰী দিৱসৰ এটা বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত প্ৰচাৰ ভাৰতীৰ গুৱাহাটীত থকা কাৰ্যালয়সমূহৰ সমূহ মহিলা কৰ্মচাৰীৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০০০

ৰাজ্য চৰকাৰে কৃষকসকলৰ উন্নয়নৰ বাবে বিগত সময়ছোৱাত বিভিন্ন আঁচনিকে ধৰি অন্যান্য পদক্ষেপ গ্ৰহণ কৰি আহিছে। উন্নত শস্যৰ বীজৰ পৰা আৰম্ভ কৰি আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰেৰে কৃষি ক্ষেত্ৰৰ উন্নয়নৰ বাবে চৰকাৰে নিৰন্তৰ প্ৰয়াস কৰি আহিছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি কামৰূপ জিলাৰ ৰাণী চাপৰিত কৃষি জীৱি জনসাধাৰণৰ সুবিধাৰ্থে দুটা গুৰুত্বপূৰ্ণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি এই কথা প্ৰকাশ কৰে। তেওঁ ৰাণী চাপৰি কৃষি ক্ষেত্ৰ পৰিদৰ্শন কৰাৰ উপৰি কৃষি কৰ্মৰে জীৱিকা নিৰ্বাহ কৰা ৪০০ ৰো অধিক থলুৱা কৃষকৰ সমস্যাৰ বুজ লয়। ড০ শৰ্মাই চাপৰিটোত দীৰ্ঘদিন ধৰি বসবাস কৰা কৃষিজীৱি লোকসকলক অনাগত দিনত মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰা হ'ব বুলিও প্ৰকাশ কৰে। তেওঁ লগতে কৃষকসকলে উৎপাদিত সামগ্ৰীৰ উচিত মূল্য পাব পৰাকৈ চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ কথা উল্লেখ কৰি কৃষকসকলক এই সুবিধাসমূহ গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

(বাইট ঃ মুখ্যমন্ত্ৰী)

০০০০০০

নিৰ্বাচন আয়োগে নকল ভোটদাতা ফটো পৰিচয় পত্ৰ অৰ্থাৎ ই পি আই চি নম্বৰৰ দীৰ্ঘদিনীয়া সমস্যাটো অহা ৩ মাহৰ ভিতৰত সমাধান কৰাৰ সিদ্ধান্ত লৈছে। আয়োগে কালি এটা বিবৃতিৰ জৰিয়তে এই কথা প্ৰকাশ কৰে। কাৰিকৰী দল আৰু সংশ্লিষ্ট মুখ্য কাৰ্যবাহী বিষয়াসকলৰ সৈতে আলোচনাৰ অন্তত আয়োগে নকল ই পি আই চি নম্বৰ থকা ভোটদাতাসকলৰ বাবে এটা ৰাষ্ট্ৰীয় ই পি আই চি নম্বৰ সুনিশ্চিত কৰাৰ সিদ্ধান্ত লয়। এই অনন্য ই পি আই চি নম্বৰৰ জৰিয়তে এতিয়াৰে পৰা নিৰ্দিষ্ট ভোট কেন্দ্ৰত নাম উল্লেখ থকা ভোটদাতাইহে সেই ভোটকেন্দ্ৰত ভোটদান কৰিব পাৰিব। উল্লেখযোগ্য যে ৯৯ কোটিৰো অধিক ভোটদাতাই পঞ্জীয়ন কৰা ভাৰতবৰ্ষৰ ভোটদাতাৰ তালিকা হৈছে বিশ্বৰ ভিতৰতে সৰ্ববৃহৎ ভোটদাতাৰ তথ্য সমৃদ্ধ তালিকা।

০০০০০০

ৰাজ্যিক নিৰ্বাচন আয়োগে অহা ২ এপ্ৰিলত ৰাভা-হাচং স্বায়ত্ব শাসিত পৰিষদৰ ৩৬টা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত কৰাৰ বিষয়ে ঘোষণা কৰিছে। ৰাজ্যিক নিৰ্বাচন আয়োগে কালি প্ৰকাশ কৰা অধিসূচনা অনুসৰি অহা ১৫ মাৰ্চ হ'ব মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন। ১৭ মাৰ্চত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। ১৯ মাৰ্চ মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন। ৪ এপ্ৰিলত ভোটগণনা কৰা হ'ব আৰু সেইদিনাই ফলাফলসমূহ ঘোষণা কৰা হ'ব। ৰাভা-হাচং স্বায়ত্ব শাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে মুঠ ৬৩০ টা ভোটকেন্দ্ৰ স্থাপন কৰা হ'ব। নিৰ্বাচন হ'বলগীয়া ৩৬টা সমষ্টিত মুঠ ৪ লাখ ৪৫ হাজাৰ ৫৮৬ জন ভোটদাতা আছে। ইয়াৰে দুই লাখ ১৬ হাজাৰ ১৮১ গৰাকী পুৰুষ, দুই লাখ ২৯ হাজাৰ ৩৯৪ গৰাকী মহিলা আৰু ১১ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে।

ৰাভা-হাচং স্বায়ত্ব শাসিত পৰিষদৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত কালি কামৰূপ জিলাৰ আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া দেৱ কুমাৰ মিশ্ৰই সংহত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত সকলো ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ সৈতে এখন সভাত মিলিত হয়। সভাত নিৰ্বাচনী আচৰণবিধিকে ধৰি অন্যান্য বিষয় সন্দৰ্ভত আলোচনা কৰা হয়।

০০০০০০

ডিমা হাচাও জিলাৰ উমৰাংছুৰ কয়লাখনিত শোকাবহভাৱে মৃত্যু হোৱা শ্ৰমিকৰ ঘটনা সন্দৰ্ভত বিশেষ তদন্তকাৰী গোটে ডিমা হাচাও জিলাৰ আদালতত অভিযোগনামা দাখিল কৰিছে। তদন্তকাৰী গোটৰ এটা সূত্ৰই জনোৱা অনুসৰি কয়লাখনিত শ্ৰমিকৰ মৃত্যু হোৱা ঘটনা সন্দৰ্ভত ১২ জনকৈ লোকক অভিযুক্ত কৰি এই অভিযোগনামা দাখিল কৰা হৈছে। মূল ৫৫ পৃষ্ঠাৰ অভিযোগনামাখনত আন কেইবাশ পৃষ্ঠাৰ আনুসংগিক নথি পত্ৰও সংলগ্ন কৰা হৈছে। ইয়াৰ পূৰ্বে উমৰাংছুৰ এই ঘটনাক লৈ ৰাজ্য চৰকাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ অনিমা হাজৰিকাৰ নেতৃত্বত ন্যায়িক আয়োগ গঠন কৰাৰ লগতে এখন বিশেষ তদন্তকাৰী গোট গঠন কৰিছিল।

০০০০০০

বিধানসভাৰ মজিয়াত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই এটা প্ৰশ্নৰ উত্তৰত ৰাজ্যৰ অৰ্থনীতি শক্তিশালী কৰাৰ ক্ষেত্ৰত ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰৰ পদক্ষেপৰ সুফল সন্দৰ্ভত প্ৰকাশ কৰা এটা বাতৰি নিয়মীয়া বাৰ্তা কাকতে ৬ দশমিক ৪-৩ লাখ কোটিলৈ বৃদ্ধি হ'ব জি এছ ডি পি শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি প্ৰকাশ কৰিছে।

দি আছাম ট্ৰিবিউন কাকতে অহা ২ এপ্ৰিলত ৰাভা হাচং স্বায়ত্তশাসিত পৰিষদৰ ৩৬টা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত কৰাৰ বিষয়ে ঘোষণা কৰাৰ বাতৰি RABHA HASONG AUTONOMOUS COUNCIL POLLS OF APRIL, 2 শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিত স্থান দিছে। দৈনিক অসম কাকতে এই বাতৰিক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

তিনিগৰাকী বৰেণ্য অসমীয়া সাহিত্যিকক সাহিত্য একাডেমীৰ অনুবাদ বঁটা ঘোষণা কৰাৰ বাতৰিক দা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। দৈনিক অগ্ৰদূত আৰু অসমীয়া প্ৰতিদিন কাকতেও এই বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

নিৰ্বাচন আয়োগে দেশৰ প্ৰত্যেক ভোটাৰৰ ক্ষেত্ৰত ইউনিক এপিক নম্বৰ অৰ্থাৎ একক নম্বৰৰ ব্যৱস্থা কৰিব বুলি প্ৰকাশ কৰাৰ বাতৰি আমাৰ অসমে **ভূত খেদিবলৈ ইউনিক এপিক নম্বৰ** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

অত্যাধুনিক অস্ত্ৰৰ অভাৱ মণিপুৰৰ এটা ডাঙৰ চিন্তাৰ বিষয় সন্দৰ্ভত প্ৰকাশ কৰা এটা বাতৰি দা টাইমছ অৱ ইণ্ডিয়া কাকতে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

ব'হাগ বিহুৰ পাছতেই ৰাজ্যৰ পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা এটা বাতৰি দৈনিক জনমভূমি আৰু অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ কাইলৈ ডুবাই ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া ফাইনেলত ভাৰত, নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইয়াৰ পূৰ্বে যোৱা বুধবাৰে লাহোৰত অনুষ্ঠিত দ্বিতীয়খন ছেমি ফাইনেলত নিউজিলেণ্ডে দক্ষিণ আফ্ৰিকাক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। ইপিনে যোৱা মঙলবাৰে অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত ভাৰতে অষ্ট্ৰেলিয়াক পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। ফাইনেল খেলখনক লৈ ভাৰতীয় দৰ্শকৰ মাজত অভূতপূৰ্ব উৎসাহ পৰিলক্ষিত হৈছে।

oooooo

ষষ্ঠ এছিয়ান মহিলা কাবাডী প্ৰতিযোগিতাৰ ফাইনেলত আজি যোৱাবাৰৰ বিজয়ী ভাৰত আয়োজক দেশ ইৰাণৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন দিনৰ ১২ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ কালি সন্ধিয়া অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত ভাৰতে নেপালক ৫৬-১৮ ফলাফলত পৰাজিত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। দ্বিতীয়খন ছেমি ফাইনেলত ইৰাণে বাংলাদেশৰ বিৰুদ্ধে ৪১-১৮ ফলাফলত জয়লাভ কৰে।

oooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দিনৰ ভাগত বতৰ ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

বতৰ বিজ্ঞান কেন্দ্ৰই অহা ২৪ ঘণ্টাত অৰুণাচল প্ৰদেশৰ ঠাই বিশেষ পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। অসম আৰু মেঘালয়ৰ অঞ্চল বিশেষেও পাতলীয়া বৰষুণৰ হোৱাৰ সম্ভাৱনা আছে বুলি লগতে প্ৰকাশ কৰিছে। এই সময়ছোৱাত মেঘালয়, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত বতৰ শুকান হৈ থাকিব।

oooooo

সমাপ্ত